REFERENCE
(Not for Issue)
Reading Only Service Li...

# বাজেট বক্তৃতা

## ১৯৭৯-৮০

## ২য় খণ্ড

## ৰাজকোষৰ অৱস্থা

শ্ৰীকেশৱ চন্দ্ৰ গগৈ
বিত্ত মন্ত্ৰী, অসম

৫ মাৰ্চ্চ, ১৯৭৯

মাননীয় অধ্যক্ষ মহোদয়,

মই এতিয়া মাননীয় সদস্য সকলক ৰাজকোষৰ অৱস্থা সম্পৰ্কে জনাব খোজোঁ।

২। ১৯৭৭-৭৮ চনৰ হিচাপ ১৩.১৮ কোটি টকাৰ আৰম্ভণিৰ ঘাটি উদ্বৃত্তৰ বিপৰীতে ৩৩.৩৪ কোটি টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰে। ১৯৭৭-৭৮ চনৰ সংশোধিত প্ৰাক্কলনতকৈ প্ৰকৃত ৰাজহ আয় ২১.৯৯ কোটি টকা বেছি আছিল। কৃষি আয়কৰৰ ক্ষেত্ৰত ১৪.৬১ কোটি টকা, কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য মঞ্জুৰী হিচাপে ৩.৫৩ কোটি টকা আৰু বন ৰাজহৰ পৰা ৩.১৬ কোটি টকা বেছি আয় হোৱাটোৱেই ইয়াৰ ঘাই কাৰণ। সংশোধিত প্ৰাক্কলনতকৈ ৰাজহ হিচাপৰ ব্যয় ৮.৪৪ কোটি টকা কম আছিল। সাধাৰণ সেৱাৰ শিতানত ৪.৪১ কোটি টকা আৰু অৰ্থনৈতিক সেৱাৰ শিতানত ৩.৮২ কোটি টকা কম খৰচ হোৱাটোৱেই হৈছে ইয়াৰ প্ৰধান কাৰণ। ফলস্বৰূপে ৰাজহ হিচাপত ১৯.৭৮ কোটি টকা ৰাহি হৈছিল। অৱশ্যে মূলধন হিচাপৰ ঘাটি যোগ দিয়াৰ পিচত এইটো অৱশেষত ৩৩.৩৪ কোটি টকা ঘাটিত পৰিণত হৈছিলগৈ।

৩। ১৯৭৮-৭৯ চনৰ সংশোধিত প্ৰাক্কলনৰ শিতানৰ ৰাজহ আয় বাজেট প্ৰাক্কলনতকৈ ৮.৩৩ কোটি টকা বাঢ়িব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য মঞ্জুৰী হিচাপে ১.৯৮ কোটি টকা আৰু কৃষি আয়কৰৰ শিতানত আশা কৰা ৬.৫০ কোটি টকা আয় বেছিকৈ পোৱাটোৱেই ইয়াৰ ঘাই কাৰণ। ৰাজহ ব্যয়ো ২৩.৭৬ কোটি টকা বৃদ্ধি পাব বুলি আশা কৰা হৈছে। ইয়াৰ ফলস্বৰূপে বাজেট প্ৰাক্কলনৰ সময়ত ৰাজহ হিচাপত আশা কৰা ৩৪.৮১ কোটি টকাৰ ৰাহি সংশোধিত প্ৰাক্কলনত মাত্ৰ ১৯.৩৮ কোটি টকা ৰাহিলৈ হ্ৰাস পাব। অৱশ্যে, ৰাজহ হিচাপৰ বাহিৰত বাজেট প্ৰাক্কলনত আশা কৰা মতে ৪১.৩৫ কোটি টকাৰ ঠাইত ১১.৪৩ কোটি টকা ঘাটি হব। ইয়াৰ ফলত সৰ্বমুঠ ৰাহি হব ৭.৯৫ কোটি টকা। এই ৰাহিয়ে ৩৩.৩৪ কোটি টকাৰ আৰম্ভণিৰ ঘাটি উদ্বৃত্তৰ এটা অংশ পূৰণ কৰিব। সেয়ে আমি ২৫.৩৯ কোটি টকা ঘাটি উদ্বৃত্তৰে বছৰটো সামৰিম।

৪। মই এতিয়া ১৯৭৯-৮০ চনৰ বাজেট প্ৰাক্কলনৰ কথা কব খুজিছোঁ। ৰাজহ আয় ধাৰ্য্য কৰা হৈছে ২৭১.১৩ কোটি টকা আৰু ৰাজহ ব্যয় ধাৰ্য্য কৰা হৈছে ২৭৭.৪৯ কোটি টকা। ১৯৭৮-৭৯ চনৰ সংশোধিত প্ৰাক্কলনতকৈ ৰাজহ আয় কমি যোৱাটোৰ ঘাই কাৰণ হৈছে সপ্তম বিত্তীয় আয়োগৰ ৰায় অনুযায়ী ভাৰত চৰকাৰৰ পৰা কোনো সাহায্য মঞ্জুৰী নোপোৱাটো। ইয়াৰ ফলত ৬.৩৬ কোটি টকাৰ ৰাজহ ঘাটি হৈ যাব। ৰাজহ হিচাপৰ বাহিৰত আয় আৰু ব্যয় যথাক্ৰমে ৪৬০.৯৮ কোটি টকা আৰু ৪৭৬.৭২ কোটি টকা ধাৰ্য্য কৰা হৈছে। ফলত ১৫.৭৪ কোটি টকা ঘাটি হৈছে। বছৰটোত সৰ্বমুঠ ঘাটি ২২.১০ কোটি টকা হব বুলি আশা কৰা হৈছে। ২৫.৩৯ কোটি টকাৰ আৰম্ভণিৰ ঘাটি উদ্বৃত্তকে লৈ ১৯৭৯-৮০ চনৰ বছৰটো ৪৭.৪৯ কোটি টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব বুলি আশা কৰা হৈছে।

৫। **অতিৰিক্ত সম্পদ আহৰণৰ উৎসসমূহ ইমান সীমিত হোৱা এখন ৰাজ্যত** ৪৭.৪৯ কোটি টকা পৰিমাণৰ ঘাটি পূৰণ কৰাটো যে এটা দুঃসাধ্যজনক কাম সেই কথাত মাননীয় সদস্যসকল একমত হব। অৱশ্যে ঘাটিৰ এটা অংশ পূৰণ কৰিবৰ বাবে বৰ্ত্তমানৰ কৰসমূহৰ নিৰিখৰ কেতবোৰ সাল-সলনি ঘটাবলৈ মই প্ৰস্তাৱ কৰিছোঁ। এই কাম কৰিবলৈ লওঁতে মই সমূহীয়াভাৱে গ্ৰহণ কৰা সমাজবাদী আদৰ্শৰ বাস্তৱ ৰূপায়ণকল্পে আৰু কৰ আৰোপণ ব্যৱস্থাৱলী নিৰ্ণয় কৰা আদৰ্শৰ লগত সংগতি ৰাখি কৃষক আৰু দুখীয়া শ্ৰেণীৰ লোকসকলৰ ওপৰত পৰা হেচাঁ পাতলোৱাৰ প্ৰয়োজনীয়তা আৰু যোৱা সপ্তাহত সংসদত ১৯৭৯-৮০ চনৰ কেন্দ্ৰীয় বাজেটত দিয়া ৰেহাইৰ কথাও মনত ৰাখিম।

৬। কৃষি আয়কৰৰ নিৰিখসমূহো সৰলীতিকৰণ কৰিবলৈ প্ৰস্তাৱ কৰোঁ। কৃষি সঁজুলি, বীজ আৰু সাৰৰ দৰে কৃষি সমলৰ মূল্য বৃদ্ধিয়ে খেতিয়কসকলৰ লাভ কমাইছে। সেয়ে মই কৃষি আয়কৰৰ ক্ষেত্ৰত বাৰ্ষিক আয়ৰ বাবে ৰেহাইৰ সীমা ৮০০০ টকাৰ পৰা ১০,০০০ টকালৈ বঢ়াবলৈ প্ৰস্তাৱ কৰিছোঁ। একে সময়তে মই চাহ উদ্যোগৰ সমৃদ্ধিৰ এটা অংশ লাভ কৰাৰ উদ্দেশ্যে উচ্চতৰ আয় বিশিষ্ট শ্ৰেণীৰ ক্ষেত্ৰত কৰৰ নিৰিখ সংশোধন কৰিবলৈ প্ৰস্তাৱ কৰিছোঁ। কোম্পানীৰ বাহিৰে ব্যক্তিৰ ক্ষেত্ৰত প্ৰথম ১০০০ টকালৈ নতুন নিৰিখ মতে কৰ নাথাকিব। পিচৰ ৫০০০ টকাত টকাই প্ৰতি ১০ পইচা, তাৰ পিচৰ ৫০০০ টকাত টকাই প্ৰতি ১৫ পইচা, তাৰ পিচত ১০০০০ টকাত টকাই প্ৰতি ৩০ পইচা, তাৰ পিচৰ ২৫,০০০ টকাত টকাই প্ৰতি ৪৫ পইচা, তাৰ পিচৰ ৫০০০০ টকাত টকাই প্ৰতি ৬০ পইচা, তাৰ পিচৰ ১০০০০০ টকাত টকাই প্ৰতি ৭০ পইচা আৰু মুঠ আয়ৰ বাকীখিনিত টকাই প্ৰতি ৭৫ পইচা হিচাপে নতুন নিৰিখৰ কৰ হব। কোম্পানীৰ ক্ষেত্ৰত নতুন নিৰিখ হব' ১০০০০০ টকা পৰ্য্যন্ত আয়ৰ ক্ষেত্ৰত টকাই প্ৰতি ৬০ পইচা, ১০০০০০ টকাৰ বেছি কিন্তু ২০০০০০ টকাৰ অনধিক আয়ৰ ক্ষেত্ৰত টকাই প্ৰতি ৭০ পইচা আৰু ২০০০০০ টকাতকৈ বেছি মুঠ আয়ৰ ক্ষেত্ৰত টকাই প্ৰতি ৭৫ পইচা।

৭। ৰেহাইৰ সীমা বৃদ্ধি কৰাৰ ফলস্বৰূপে ৫ লাখ টকা পৰিমাণৰ বাৰ্ষিক ৰাজহ হেৰুৱাব লগা হব। উচ্চ আয় বিশিষ্ট শ্ৰেণীৰ ক্ষেত্ৰত নিৰিখৰ হাৰ বঢ়োৱাৰ ফলত বছৰি ১ দশমিক ৭০ কোটি টকাৰ যি অতিৰিক্ত ৰাজহ লাভ কৰিব পাৰিম বুলি আশা কৰা হৈছে সেই খিনি আমি হেৰুৱাব লগা হোৱা ৰাজহ পূৰণৰ পৰিমাণতকৈ অধিক হ'ব।

৮। মাননীয় সদস্যসকলে জানে যে আমাৰ ৰাজ্য চৰকাৰ সুৰাপান নিষিদ্ধকৰণৰ ৰাষ্ট্ৰীয় নীতিৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। এই দিশত লোৱা ব্যৱস্থাসমূহৰ উপৰিও বিদেশী মদৰ ক্ষেত্ৰত আবকাৰী শুল্কৰ নিৰিখ বঢ়াবলৈ প্ৰস্তাৱ কৰা হৈছে। প্ৰতি এল-পি লিটাৰত ২০.৬২ টকাৰ পৰা ৪০.৬২ টকালৈ শুল্ক আৰু প্ৰতি সংগোট লিটাৰত ১·৮৪ টকাৰ পৰা ২.৮৪ টকালৈ গ্যালনেজৰ হাৰ বঢ়োৱাৰ প্ৰস্তাৱ কৰা হৈছে। এনে মূল্য বৃদ্ধিৰ ফলত সুৰাপানৰ মাত্ৰা কিছু পৰিমাণে কমিব পাৰে। আনকি যদিও আমি এনেদৰে সুৰাপানৰ মাত্ৰা কমি যোৱাটো ধৰি লওঁ তেতিয়াও অৱশ্যে অতিৰিক্ত ৰাজহ আয় এক কোটি টকাতকৈ কম নহ'ব।

৯। অসম মটৰ গাড়ী কৰ আৰোপন আইন, ১৯৩৬ আৰু তাৰ অধীনৰ বিধি অনুযায়ী আৰ, এল, ডব্লিউ ১৫২২৫ কিলোগ্ৰামৰ বেছি গধুৰ যান-বাহনৰ ক্ষেত্ৰত কৰৰ নিৰিখ বঢ়োৱা আৰু মাচুলৰ সৰলীতিকৰণ কৰাৰ প্ৰস্তাৱ কৰা হৈছে। গধুৰ যান-বাহনৰ

বোলিকা ১ মেট্রিক টনৰ বাবে কৰৰ নতুন নিৰিখ হব ৪২৫ টকা আৰু প্ৰতি অতিৰিক্ত ২২৫ কিলোগ্ৰাম নাইবা তাৰ অংশ বিশেষৰ বাবে ১২৫ টকা। এই ব্যৱস্থাৰ ফলত সামান্য পৰিমাণৰ ৬ লাখ টকাৰ ৰাজহ পোৱা হব।

১০। ১৯৭২ চনত অসমক পুনৰ গঠন কৰাৰে পৰা মেঘালয়, মিজোৰাম আৰু অৰুণাচল প্ৰদেশলৈ আন্তঃৰাজ্যিক বিক্ৰীৰ বোলিকা সাধাৰণ বিক্ৰী কৰ আমি ৰেহাই দিছোঁ। ইয়াৰ ফলত বিভিন্ন দুৰ্নীতি আৰু আয়ৰ নিৰ্গমণ দেখা পোৱা গৈছে। ইয়াৰ প্ৰথম ব্যৱস্থা হিচাপে আমি ১।৪।৭৯ তাৰিখৰ পৰা মেঘালয়ৰ ক্ষেত্ৰত দিয়া ৰেহাই উঠাই লবলৈ প্ৰস্তাৱ কৰিছোঁ। ইয়াৰ ফলত প্ৰতি বছৰে ১৬ লাখ টকাৰ অতিৰিক্ত ৰাজহ আহিব বুলি আশা কৰা হৈছে।

১১। কৰ বহিভূৰ্ত ৰাজহৰ ক্ষেত্ৰত সপ্তম বিত্ত আয়োগে বান্ধি দিয়া নীতি অনুসৰি জলসিঞ্চন উপকৰৰ ক্ষেত্ৰত ১৯৭৯-৮০ চনৰ বাজেটত আয়ৰ শিতানত ১.১৭ কোটি টকা ইতিমধ্যে অন্তৰ্ভুক্ত কৰা হৈছে। বন ৰাজহৰ ক্ষেত্ৰত ১৯৭৯-৮০ চনৰ বাজেটত সাধাৰণতে কৰা আগতীয়া হিচাপৰ ভিত্তিত ১০.৫০ কোটি টকা অন্তৰ্ভুক্ত কৰা হৈছে। বাজেটৰ ঘাটি আংশিক ভাবে পূৰণ কৰিবলৈ বনাঞ্চলৰ পৰা অতিৰিক্ত ২ কোটি টকা ৰাজহ বঢ়োৱাৰ সম্প্ৰতি প্ৰস্তাৱ কৰা হৈছে।

১২। মই এই মাত্ৰ বৰ্ণনা কৰা অতিৰিক্ত সম্পদ আহৰণৰ ব্যৱস্থা সমূহে কেৱল জনসাধাৰণৰ তুলনামূলকভাবে ধনী শ্ৰেণীটোকহে চুব। জনসাধাৰণৰ দুখীয়া শ্ৰেণীৰ লোকসকলৰ বোজা পাতলাবলৈ মই প্ৰস্তাৱ কৰিছোঁ।

১৩। নিম্ন বেতনভোগী কৰ্মচাৰী সকলে বৃত্তিমূলক কৰৰ উচ্চ হাৰ সম্পৰ্কে আপত্তি দৰ্শাই আহিছে। বৰ্ত্তমানে ৪,০০০ টকালৈ বাৰ্ষিক আয়ৰ লোকক এই কৰৰ পৰা ৰেহাই দিয়া হৈছে। মই ৰেহাইৰ সীমা ৮,০০০ টকালৈ বঢ়াবলৈ প্ৰস্তাৱ কৰোঁ। ইয়াৰ ফলত ১ দৰ্শমিক ৫ লাখ টকা পৰিমাণৰ ৰাজহ হেৰুৱাব লগা হব। ইয়াৰ ক্ষতিপূৰণৰ অৰ্থে অধিক বেতন পোৱা লোকৰ ক্ষেত্ৰত নিৰিখৰ হাৰ বঢ়াবলৈ প্ৰস্তাৱ কৰোঁ। নতুন বাৰ্ষিক নিৰিখসমূহ হব—৮০০০ টকাতকৈ বেছি কিন্তু ১২০০০ টকাৰ অনধিক আয়ৰ ক্ষেত্ৰত ৫০ টকা, ১২০০০ টকাৰ বেছি কিন্তু ১৬০০০ টকাৰ অনধিক আয়ৰ ক্ষেত্ৰত ১০০ টকা, ১৬০০০ টকাৰ বেছি কিন্তু ২০০০০ টকাৰ অনধিক আয়ৰ ক্ষেত্ৰত ১৫০ টকা, ২০০০০ টকাৰ বেছি কিন্তু ২৫০০০ টকাৰ অনধিক আয়ৰ ক্ষেত্ৰত ২০০ টকা আৰু ২৫০০০ টকাৰ বেছি আয়ৰ ক্ষেত্ৰত ২৫০ টকা।

১৪। অপেশাদাৰী সাংস্কৃতিক সংগঠন সমূহৰ দীৰ্ঘ দিনীয়া দাবীৰ প্ৰতি সন্মান জনাই তেওঁলোকে প্ৰদৰ্শন কৰা সাংস্কৃতিক অনুষ্ঠান বিলাকক আমোদ কৰৰ পৰিসৰৰ পৰা ৰেহাই দিবলৈ মই প্ৰস্তাৱ কৰোঁ। ইয়াৰ ফলত ৰাজ্যিক ৰাজকোষে বছৰি প্ৰায় ১ লাখ টকাৰ ৰাজহ হেৰুৱাব লগা হব।

১৫। অসম বিক্ৰী কৰ আইনৰ অধীনত দিয়া ১২০০০ টকাৰ ৰেহাইৰ সীমা ১৯৫৪ চনৰ পৰাই সংশোধন কৰা হোৱা নাই। ক্ষুদ্ৰ ব্যৱসায়ী সকলক সকাহ দিয়াৰ উদ্দেশ্যে বছৰি ২০০০০ টকা লেন-দেন কৰা ব্যৱসায়ীক বিক্ৰী কৰ শোধ কৰাৰ দায়গ্ৰস্ততাৰ পৰা ৰেহাই দিবলৈ মই প্ৰস্তাৱ কৰোঁ। এই ব্যৱস্থাই এক বৃহৎ সংখ্যক ব্যৱসায়ী আৰু সৰুসুৰা দোকানীক উপকৃত কৰিব।

১৬। আমাৰ সশস্ত্ৰ বাহিনী আৰু সশস্ত্ৰ আৰক্ষীৰ লোকসকলে পান কৰা “ৰাম” নামৰ সুৰাক ১৯৪৭ চনৰ অসম বিক্ৰীকৰ আইন আৰু ১৯৫৬ চনৰ অসম বিত্ত (বিক্ৰীকৰ) আইনৰ অধীনত শোধাবলগীয়া কৰৰ পৰা ৰেহাই দিবলৈও মই প্ৰস্তাৱ কৰোঁ। এই ব্যৱস্থাৰ ফলত বছৰি ৩৯.৫০ লাখ টকা পৰিমাণৰ ৰাজহ হেৰুৱাব লগা হব।

১৭। নতুন কৰ আৰোপণ ব্যৱস্থাৰ ফল স্বৰূপে ২ দশমিক ৯৩ কোটি টকাৰ অতিৰিক্ত ৰাজহ আশা কৰা হৈছে। ইয়াৰ লগত ২ কোটি টকাৰ কৰৰ বাহিৰৰ অতিৰিক্ত ৰাজহ লগ কৰিলে বাৰ্ষিক মুঠ অতিৰিক্ত ৰাজহ ৪ দশমিক ৯৩ কোটি টকা হব বুলি আশা কৰা হৈছে। ৰেহাই সমূহৰ ফলত প্ৰতি বছৰে ৫৯ লাখ টকাৰ ৰাজহ হেৰুৱাব লগা হব। সেয়ে প্ৰতি বছৰে প্ৰকৃত ৰাজহ উদ্ভৱ হব ৪ দশমিক ৩৪ কোটি টকা।

১৮। ৪৭ দশমিক ৪৯ কোটি টকাৰ ঘাটি পূৰাবলৈ ই তেনেই সামান্য। এনেকি অতিৰিক্ত ৰাজহ ধৰাৰ পিচতো অপূৰণীয় ব্যৱধানৰ পৰিমাণ ৪৩ দশমিক ১৫ কোটি টকাৰ দৰে এক উচ্চ সীমাতেই ৰব।

১৯। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত পৰিকল্পনা বহিৰ্ভূত ব্যয় বৃদ্ধি ৰোধ কৰা আৰু উন্নয়ন ব্যতিৰেক ধৰণৰ অপ্ৰয়োজনীয় আঁচনিসমূহ কৰ্ত্তন কৰাৰ বাবে সকলো প্ৰচেষ্টা কেন্দ্ৰীভূত কৰাটো আৱশ্যক হৈ পৰিছে। মই অৱশ্যে এই খিনিতে কব খোজোঁ যে পৰিকল্পনা ব্যয়ৰ ক্ষেত্ৰত পৰিকল্পনা আয়োগে অনুমোদন জনোৱা ধনৰ পৰিমাণ সম্পূৰ্ণৰূপে আৰু ফলপ্ৰসূ ভাবে ব্যৱহাৰ কৰাটো সুনিশ্চিত কৰা প্ৰয়োজন। এই উদ্দেশ্য পূৰণৰ বাবে বিভিন্ন বিভাগে পৰিকল্পনাৰ বাহিৰৰ উন্নয়ন ব্যতিৰেক খৰচ কমাই আৰু প্ৰশাসনীয় যন্ত্ৰ শক্তিশালী কৰি প্ৰত্যাহবানৰ সন্মুখীন হবলৈ প্ৰয়াস কৰাটো প্ৰয়োজন হব। মই মাননীয় সদস্য সকলক আশ্বাস দিব পাৰো যে এই উদ্দেশ্য সাধনৰ বাবে আমি যি কোনো কষ্ট স্বীকাৰ কৰিবলৈ সাজু আছোঁ। অসমৰ অৰ্থনৈতিক উন্নয়নৰ প্ৰক্ৰিয়া খৰতকীয়া কৰাৰ বাবে জনতা চৰকাৰে কৰা প্ৰচেষ্টাত মই প্ৰত্যেককে মুকলি মনেৰে সহযোগ আগবঢ়াবলৈ অনুৰোধ জনাইছোঁ।

২০। মহাশয়, এইখিনি কৈয়েই মই সম্মানিত সদনৰ বিবেচনা আৰু অনুমোদনৰ অৰ্থে ১৯৭৯-৮০ চনৰ বাৰ্ষিক বিত্তীয় বিবৰণী উত্থাপন কৰিলোঁ।

# পৰিশিষ্ট-II

(লাখ টকাৰ হিচাপত)

| প্ৰকৃত ১৯৭৭-৭৮ | বাজেট প্ৰাক্ কলন ১৯৭৮-৭৯ | সংশোধিত প্ৰাক্ কলন ১৯৭৮-৭৯ | শিতান সমূহ | বাজেট প্ৰাক্ কলন ১৯৭৯-৮০ |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |
| | | | **ক—আয়** | |
| (−)১৩,১৭·৮৫ | (−)৪,০৬·৪৬ | (−)৩৩,৩৪·৩৫ | আৰম্ভণি উদ্বৃত্ত | (−)২৫,৩৯·৫৪ |
| ২৭০,৭৭·৪৯ | ২৮৪,৪৩·৪২ | ২৯২,৭৬·৩৩ | ৰাজহ আয় | ২৭১,১৩·১৮ |
| ৮০,৫০·৯৯ | ১০৮,৮০·১১ | ১০৯,০৩·৩২ | মূলধন আয় | ১১৯,১৮·০৯ |
| ৭,৭১·৬১ | ২৪·৮০ | ১,০৬·২৯ | আকস্মিক নিধিৰ আয় | ৭৫·০০ |
| ৪৫০,২৮·৮০ | ২৬৬,৯৪·২০ | ৩৪৮,৭৬·০৩ | ৰাজহুৱা হিচাপৰ অধীনৰ আয় | ৩৪১,০৫·১৭ |
| ৮০৯,২৮·৮৯ | ৬৬০,৪২·৫৩ | ৭৫১,৬১·৯৭ | মুঠ আয় | ৭৩২,১১·৪৪ |
| ৭৯৬,১১·০৪ | ৬৫৬,৩৬·০৭ | ৭১৮,২৭·৬২ | সৰ্ব্বমুঠ | ৭০৬,৭১·৯০ |
| | | | **খ—ব্যয়** | |
| ২৫০ ৯৯·৯০ | ২৪৯,৬২·৭৫ | ২৭৩,৩৮·৩২ | ৰাজহ শিতানৰ ব্যয় | ২৭৭,৪৯·৪৭ |
| ১১১,৩৬·০১ | ১৪৩,০৯·০৫ | ১৫১,৩০·৪২ | মূলধন ব্যয় | ১৪০,৬১·৭৫ |
| ৬,০৬·২৯ | — | ৭৫·০০ | আকস্মিক নিধিৰ ব্যয় | — |
| ৪৬১,০৩·১৯ | ২৭৪,২৪·৪৬ | ৩১৮,২৩·৪২ | ৰাজহুৱা হিচাপৰ পৰা হোৱা ব্যয় | ৩৩৬,১০·০২ |
| ৮২৯,৪৫·৩৯ | ৬৬৬ ৯৬·৭১ | ৭৪৩,৬৭·১৬ | মুঠ ব্যয় | ৭৫৪,২১·২৪ |
| (−)৩৩,৩৪·৩৫ | (−)১০,৬০·৬৪ | (−)২৫,৩৯·৫৪ | সামৰণি উদ্বৃত্ত | (−)৪৭,৪৯·৩৪ |
| ৭৯৬,১১·০৪ | ৬৫৬,৩৬·০৭ | ৭১৮,২৭·৬২ | সৰ্ব্বমুঠ | ৭০৬,৭১·৯০ |
| | | | প্ৰকৃত ফলাফল<br>ঘাটি (−−)<br>বাহি (+) | |
| (+)১৯,৭৭·৫৯ | (+)৩৪,৮০·৬৭ | (+)১৯,৩৮·০১ | ৰাজহ হিচাপ | (−)৬,৩৬·২৯ |
| (−)৩৯,৯৪·০৯ | (−)৪১,৩৪·৮৫ | (−)১১,৪৩·২০ | ৰাজহ হিচাপৰ বাহিৰৰ | (−)১৫,৭৩·৫১ |
| (−)২০,১৬·৫০ | (−)৬,৫৪·১৮ | (+)৭,৯৪·৮১ | মুঠ ঘাটি বা বাহি | (−)২২,০৯·৮০ |